# আৰম্ভ কৰিছোঁ পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত।
# পৱিত্ৰ কোৰআন কি?

পৱিত্ৰ কোৰআন হৈছে বিশ্বজগতৰ প্ৰতিপালক আৰু ইয়াৰ সৃষ্টিকৰ্তা মহান আল্লাহৰ বাণী। সৰ্বশেষ নবী তথা ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত এইখন অৱতীৰ্ণ হৈছে, যাতে তেওঁ গোটেই মানৱ জাতিক সিহঁতৰ সৃষ্টিৰ উদ্দেশ্য সম্পৰ্কে বুজাই ক'ব পাৰে, লগতে ইয়াৰ মাজত থকা কল্যাণৰ পথ দেখুৱাব পাৰে, যাতে সিহঁতে পৃথিৱী আৰু আখিৰাতত কল্যাণ লাভ কৰিব পাৰে। এইদৰে মৃত্যুৰ পিছত চিৰস্থায়ী দুৰ্ভগৰ পৰা মুক্তি দিয়াটোও হৈছে ইয়াৰ এটা অন্যতম কাৰণ। অৱতীৰ্ণ হোৱা ঐশীগ্ৰন্থসমূহৰ দিশৰ পৰা এইখন হৈছে সৰ্বশেষ কিতাব। এইখনে পূৰ্বৱৰ্তী সকলো ঐশী গ্ৰন্থক সমৰ্থন কৰে সমান্তৰলকৈ পূৰ্বৱৰ্তী সকলো চৰীয়তক ৰহিত কৰিছে।

কোৰআনুল কাৰীম হৈছে চিৰস্থায়ী অলৌকিক এটা নিদৰ্শন। এইখন হৈছে ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ নুবুওৱতৰ প্ৰতীক। মহান আল্লাহে গোটেই মানৱ আৰু জিন জাতিক প্ৰত্যাহ্বান জনাইছে ইয়াৰ অনুৰূপ এখন কোৰআন প্ৰস্তুত কৰি দেখুৱাবলৈ, আনকি ইয়াৰ অনুৰূপ এটা ছুৰা হ'লেও হ'ব। কিন্তু আজিলৈকে কোনেও এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰা নাই।

অৱতীৰ্ণ হোৱাৰ পিছৰ পৰা এতিয়ালৈকে ১৪০০ বছৰতকৈও অধিক সময় পাৰ হৈছে, কিন্তু এতিয়ালৈকে ইয়াত কোনো ধৰণৰ পৰিবৰ্তন বা পৰিবৰ্ধন হোৱা নাই। আনকি ভৱিষ্যতেও এইখন আৰবী ভাষাতেই সুৰক্ষিত হৈ থাকিব, যি ভাষাত এইখন অৱতীৰ্ণ হৈছে। ইয়াক সুৰক্ষিত ৰখাৰ দায়িত্ব স্বয়ং আল্লাহে গ্ৰহণ কৰিছে।

কোৰআনুল কাৰীম হৈছে ইছলামৰ মূল উৎস গ্ৰন্থ। এইখন হৈছে এনেকুৱা সংবিধান যিয়ে মানৱ জীৱনক সুচাৰুৰূপে পৰিচালিত কৰে, লগতে এইখন প্ৰতিটো স্থান আৰু সময়ৰ বাবে একে সমান প্ৰযোজ্য। ইয়াৰ মূল উদ্দেশ্য হৈছে একমাত্ৰ সৃষ্টিকৰ্তা ঈশ্বৰৰ উপাসনাৰ প্ৰতি আহ্বান কৰা, লগতে মানুহে নিজ প্ৰতিপালক আৰু দ্বীন সম্পৰ্কীয় যি জানিবলগীয়া আছে সেইখিনিও স্পষ্টৰূপে বৰ্ণনা কৰে। এইদৰে ইয়াত আছে বিশ্বজগত সৃষ্টিৰ আৰম্ভণি সম্পৰ্কে, আৰু মানৱ সৃষ্টিৰ বিভিন্ন পৰ্যায়সমূহৰ বিষয়ে, আনকি ইয়াত অতীত আৰু ভৱিষ্যতৰ অদৃশ্য সংবাদসমূহৰ বিষয়েও আছে, আৰু পূৰ্বৱৰ্তী নবীসকলৰ ঘটনাৱলীও ইয়াত উল্লেখ আছে যে, আল্লাহে তেওঁলোকক কেনেকৈ সহায় কৰিছিল আৰু তেওঁলোকৰ শত্ৰুসকলক কিদৰে ধ্বংস কৰিছিল। এইদৰে ইয়াত আছে ইবাদত আৰু দৈনিন্দিন জীৱনৰ লেনদেন সম্পৰ্কীয় মৌলিক বিষয়সমূহ, প্ৰশংসনীয় নৈতিকতাৰ প্ৰতি আহ্বান, আৰু নিন্দনীয় স্বভাৱৰ পৰা সতৰ্কবাণী, লগতে ইয়াত কোৱা হৈছে যে, সকলোৰে আচল ঠিকনা হৈছে আখিৰাত; মুমিন হ'লে জান্নাত, আৰু কাফিৰ তথা অন্যায়-অত্যাচাৰকাৰী হ'লে জাহান্নাম হ'ব তাৰ ঠিকনা।

মহান আল্লাহে আৰবী ভাষাত অৱতীৰ্ণ কৰা এই গ্ৰন্থখন অতিকৈ গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণে তথা গোটেই মানৱজাতিৰ প্ৰতি ইয়াক পৌঁচাই দিয়াৰ নিৰ্দেশনা দিয়াৰ কাৰণে, হে পাঠকসমাজ! আমি আপোনাৰ বাবে আপোনাৰ মাতৃভাষাত ইয়াৰ সহজ সৰল অনুবাদ উপস্থাপন কৰিবলৈ সংকল্প লৈছোঁ, যাতে মহান আল্লাহৰ উক্ত নিৰ্দেশনা বাস্তৱায়ন হয়। কৰ্মৰত দলটোৱে ইয়াৰ অৰ্থ বুজিবলৈ আৰু সঠিক অনুবাদ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। যদিও এই কথা নিশ্চিত যে, অনুবাদ যিমানেই সঠিক নহওক কিয়, পৱিত্ৰ কোৰআনৰ আয়াতৰ সম্পূৰ্ণ তথা মহান অৰ্থ বুজোৱাটো কেতিয়াও সম্ভৱ নহয়, যি অৰ্থ পৱিত্ৰ কোৰআনৰ অলৌকিক আয়াতসমূহে বুজায়, (এইটো কেৱল কোৰআনৰ আয়াতসমূহ পঢ়ি বুজিবলৈ যত্ন কৰিলেহে অনুভৱ কৰিব পাৰিব)। যিটো প্ৰকাশ কৰা মানৱকৰ্মৰ ঊৰ্দ্ধত। সেয়ে কোৰআনুল কাৰীমৰ বাস্তৱতা সম্পৰ্কে যাৰ ইয়াতকৈ অধিক জনাৰ আগ্ৰহ আছে তাক আমি পৰামৰ্শ দিব বিচাৰোঁ যে, অনুগ্ৰহ কৰি আৰবী শিকিবলৈ যত্ন কৰক, যি ভাষাত এই কোৰআনখন অৱতীৰ্ণ হৈছে।

শান্তিৰধাৰা বৰ্ষিত হওক ৰাছুলসকলৰ ওপৰত। যাৱতীয় প্ৰশংসা বিশ্বজগতৰ প্ৰতিপালক মহান আল্লাহৰ বাবে।

পৱিত্ৰ কোৰআনৰ বিশ্বকোষ

www.quranenc.com/as

অনুবাদ উন্নত কৰিবলৈ আপোনালোকৰ সুপৰামৰ্শ আৰু সুদোপদেশ একান্তভাৱে কামনা কৰিছোঁ। ইয়াৰ বাবে পৱিত্ৰ কোৰআনৰ বিশ্বকোষ ৱেবছাইট (www.quranenc.com)ত থকা প্ৰতিটো আয়াতৰ সন্মুখত এটাকৈ মন্তব্য বাকচ দিয়া আছে, তাত আপুনি শুদ্ধ অনুবাদটো আঙুলিয়াই দিব পাৰে। লগতে আমাৰ সৈতে যোগাযোগ কৰিব বিচাৰিলে এই ঠিকনাত মেইল কৰিব পাৰে।

info@quranenc.com

আৰম্ভ কৰিছোঁ পৰম কৰুণাময় পৰম দয়ালু আল্লাহৰ নামত।
পৱিত্ৰ কোৰআন কি?